www.dailyassam

গোট-৩
অধ্যায়-৯

# ভাৰতবৰ্ষৰ পটভূমিত পৰিকল্পনা আৰু ধাৰণক্ষম বিকাশ
# (Planning and Sustainable Development in Indian Context)

তোমালোকে নিশ্চয় 'পৰিকল্পনা' শব্দটোৰ কোনো নতুনত্ব বিচাৰি নোপোৱা কাৰণ দৈনন্দিন ব্যৱহাৰিক জীৱনৰ এটা অংশ হিচাপে ইয়াক তোমালোকৰ লগতে সাঙোৰ খাই থকা পাবা। পৰীক্ষা দিবলৈ যাওঁতে অথবা কোনো পাৰ্বত্য নিবাস স্থানলৈ যোৱাৰ প্ৰস্তুতি চলাওঁতে নিশ্চয় তোমালোকে পৰিকল্পনা কৰি লোৱা। মানুহে যিকোনো এটা লক্ষ্যবস্তুত উপনীত হ'বলৈ হ'লে কিছুমান চিন্তা-প্ৰক্ৰিয়াৰে কাৰ্যক্ৰমণিকা বিধিবদ্ধ কৰে আৰু সংহতিপূৰ্ণ কাৰ্য ৰূপায়ণ কৰাৰ প্ৰচেষ্টা চলায়। ইয়াকে আমি 'পৰিকল্পনা' কৰা বুলি কওঁ। এই শব্দটোৰ ভাবাৰ্থ যথেষ্ট বিশাল আৰু সেইবাবে এই অধ্যায়ত অৰ্থনৈতিক বিকাশ প্ৰক্ৰিয়াৰ প্ৰসংগক লৈ আমি শব্দটোৰ ব্যৱহাৰ কৰিবলৈ লৈছো। ইয়াৰ বাদে কিছুমান লৌকিক, জধে-মধে থকা পদ্ধতি যেনে উৎকৰ্ষ সাধন আৰু পুনৰ গঠন কৰা আদিবোৰতকৈ, ই পৃথক। সাধাৰণ অৰ্থত পৰিকল্পনাই দুটা কথাকে সূচায়। যেনে— খণ্ড অনুসৰি থকা পৰিকল্পনা আৰু আঞ্চলিক পৰিকল্পনা। খণ্ড পৰিকল্পনাত বিভিন্ন অৰ্থনৈতিক খণ্ড যেনে কৃষি, জলসিঞ্চন, নিৰ্মাণ শিল্প, শক্তি পৰিবহণ, যোগাযোগ, সামাজিক বুনিয়াদৰ গঠন আৰু বৃত্তি ইত্যাদিৰ বিকাশৰ প্ৰতি লক্ষ্য ৰাখি, সংহতিপূৰ্ণ আঁচনি বিধিবদ্ধ কৰি ৰূপায়ণ কৰা হয়।

যিকোনো দেশতে, সমতাপূৰ্ণ অৰ্থনৈতিক বিকাশ থকা দেখিবলৈ পোৱা নাযায়। কেতবোৰ অঞ্চল অধিক উন্নত আৰু কিছুমান ঠাই একেবাৰে পিচ পৰি আছে।

স্থান অনুযায়ী থকা এই বৈষম্যৰ বাবে পৰিকল্পনাকৰ্তাসকলে স্থানিক পটভূমিক আগত ৰাখি নক্সা আঁকিবলৈ, বৈষম্য দূৰ কৰা প্ৰয়োজনীয়তাৰ কথা সূচাবলৈ ধৰে। এনে পৰিকল্পনাক আঞ্চলিক পৰিকল্পনা বুলি ক'ব পাৰি।

## ভাৰতবৰ্ষৰ পৰিকল্পনা দৃশ্যৰ আভাস
## (Overview of Planning perspective in India)

ভাৰতবৰ্ষত পৰিকল্পনা কেন্দ্ৰীয়ভাৱে আছে আৰু পৰিকল্পনা আয়োগে এই কাৰ্যৰ দায়িত্ব লয়। আইনমতে ভাৰতৰ প্ৰধানমন্ত্ৰী এই দপ্তৰৰ পদেন অধ্যক্ষ আৰু লগত এগৰাকী উপাধ্যক্ষ আৰু অন্যান্য সদস্যবৰ্গ থাকে। পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে, ভাৰতত পৰিকল্পনা কৰা হৈ আছে আৰু পৰিকল্পনা আয়োগৰ নেতৃত্ব আৰু তদাৰকীত কাম-কাজবোৰ আগবঢ়াই নিয়া হয়।

১৯৫১ চনৰ পৰা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সূত্ৰপাত হয় আৰু ১৯৫১-৫২ আৰু ১৯৫৫-৫৬ৰ মাজৰ সময়খিনি সামৰি লয়। ১৯৫৬-৫৭ৰ পৰা ১৯৬০-৬১আৰু ১৯৬১-৬২ৰ পৰা ১৯৬৫-৬৬ সময়সীমা ক্ৰমে দ্বিতীয় আৰু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অন্তৰ্ভুক্ত। দেশত দুটা খৰাং বতৰে, যাঠি দশকৰ মাজভাগত পীড়িত কৰিছিল (১৯৬৪-৬৬ আৰু ১৯৬৬-৬৭) আৰু ১৯৬৫ চনত পাকিস্তানৰ লগত হোৱা যুদ্ধই ১৯৬৬-৬৭ আৰু ১৯৬৮-৬৯ৰ সময়খিনিত কৰিবলগীয়া পৰিকল্পনাত ব্যাঘাত জন্মাইছিল। চতুৰ্থ পৰিকল্পনা ১৯৬০-৭০ চনত আৰম্ভ হৈ ১৯৭৩-৭৪ চনত সামৰণি পৰে। পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা ১৯৭৪-৭৫ চনত আৰম্ভ হয় আৰু চৰকাৰৰ দাবীত ১৯৭৭-৭৮ চনতে সামৰণি পৰে। ১৯৮০ চনত ষষ্ঠ পৰিকল্পনা আহি পায়হি। ১৯৮৫ আৰু ১৯৯০ চনৰ মাজৰ সময়খিনি সপ্তম পৰিকল্পনাৰ অন্তৰ্ভুক্ত। পুনৰ আকৌ ৰাজনৈতিক অস্থিৰতাই দেখা দিয়ে আৰু সংস্কাৰমুক্ত নীতি গ্ৰহণ কৰা বাবে অষ্টম পৰিকল্পনাৰ সময় পিচুৱাই গ'ল। ফলত ১৯৯২ৰ পৰা ১৯৯৭ চনত এই পৰিকল্পনাই ঠাই পালে। নৱম পৰিকল্পনা ১৯৯৭ৰ পৰা ২০০২ চনলৈ ব্যাপি ৰ'ল। দশম পৰিকল্পনা ২০০২ চনত আৰম্ভ হৈ ইয়াৰ সামৰণি ৩১/০৩/২০০৭ চনত হয়। একাদশ পৰিকল্পনাৰ নথি-পত্ৰ প্ৰস্তুত কৰি কাৰ্যকাৰিতা বৰ্তমানো অব্যাহত হৈ আছে। 'খৰতকীয়া আৰু বহু বস্তু চামিল কৰি বৃদ্ধি কৰা' আদি পৰিকল্পনাৰ বিষয়বস্তুৰ অনুমোদন হৈ উঠিছে।

www.dailyassam

**লক্ষ্য এলেকাৰ পৰিকল্পনা (Target Area Planning)।**

যিবোৰ অঞ্চল অৰ্থনৈতিকভাৱে পিচপৰি আছে। এইবোৰৰ উন্নয়নৰ প্ৰতি নজৰ দিয়া প্ৰয়োজন। তোমালোকে নিশ্চয় জানা যে একোটা অঞ্চলে অৰ্থনৈতিক উন্নয়ন সাধিবলৈ, সম্পদৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰে। কিন্তু কিছুমান ক্ষেত্ৰত দেখা যায় যে সম্পদত চহকী হোৱা সত্ত্বেও এই অঞ্চলসমূহৰ অৰ্থনৈতিক উন্নয়ন ভালদৰে নহয়। সম্পদৰ বাদেও অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰযুক্তি আৰু বিনিয়োগ ব্যৱস্থা থকাৰ প্ৰয়োজন। তিনিকুৰি দশক জুৰি অব্যাহত থকা পৰিকল্পনাৰ অভিজ্ঞতাৰ পৰা ভালদৰে বুজিব পাৰি যে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত থকা আঞ্চলিক বৈষম্য ভাৰতত দিনকদিনে বাঢ়িহে গৈছে। সেয়েহে আঞ্চলিক আৰু সামাজিক বৈষম্যসমূহ দূৰ কৰিবলৈ পৰিকল্পনা আয়োগে 'আঞ্চলিক লক্ষ্য'ৰ (target area) সূত্ৰপাত কৰিবলৈ ল'লে আৰু তাৰ বাবে 'নিৰ্ধাৰিত লক্ষ্য (target group) উলিয়াই পৰিকল্পনা কৰা কামত নিয়োজিত কৰে। আঞ্চলিক লক্ষ্যক আগত ৰাখি উন্নয়নৰ পথে আগবাঢ়ি যাব পৰা কৰ্মসূচী কিছুমান এনেধৰণৰ ঃ নিৰ্দেশাত্মক আঞ্চলিক উন্নয়ন কাৰ্যসূচী (Command area Development Programme), খৰাং প্ৰবণ উন্নয়ন কৰ্মসূচী, (Desert Development Programme), পাৰ্বত্য অঞ্চল উন্নয়ন কৰ্মসূচী (Hill Area Development Programme), ক্ষুদ্ৰ কৃষক বিকাশ অভিকৰণ (The Small Farmers Development Agency, SFDA) আৰু সীমান্তবাসী কৃষক বিকাশ অভিকৰণ (Marginal Farmers Development Agency MFDA) ইত্যাদি।

৮ম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শিতানত বিশেষ অঞ্চলৰ কৰ্মসূচীপত্ৰত, পাৰ্বত্য অঞ্চল, উত্তৰ-পূবৰ ৰাজ্যসমূহ, জনজাতীয় অঞ্চল আৰু পিচপৰি থকা অঞ্চলৰ বুনিয়াদ বিকাশ কৰিবলৈ নক্সা আঁকা হৈছিল।

**পাৰ্বত্য অঞ্চলৰ উন্নয়ন কৰ্মসূচী (Hill Area Development Programme) ঃ**

পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আধাৰত পাৰ্বত্য অঞ্চল উন্নয়ন কৰ্মসূচীৰ কাৰ্য আৰম্ভ হৈছিল। উত্তৰপ্ৰদেশ (বৰ্তমান উত্তৰাঞ্চল), মিকিৰ পাহাৰ আৰু অসমৰ উত্তৰ কাছাৰ পাৰ্বত্য অঞ্চল পশ্চিমবংগৰ দাৰ্জিলিং জিলা আৰু তামিলনাডুৰ নীলগিৰি জিলাকে আদি কৰি মুঠতে ১৫ খন জিলা সামৰি লৈ এই কাৰ্যসূচী, ৰূপায়িত কৰা হৈছিল। ১৯৮১ চনত অনগ্ৰসৰ অঞ্চলবোৰৰ উন্নয়নৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় পৰ্যায়ত এখন কমিটী গঠন কৰা হৈছিল আৰু দেশৰ ভিতৰত ৫০০ মিটাৰ উচ্চতাত থকা পাহাৰীয়া অঞ্চলবোৰ যদিহে জনজাতীয় উপ-পৰিকল্পনাৰ অন্তৰ্ভুক্ত হৈ থকা নাই তেতিয়াহ'লে অনুন্নত পাৰ্বত্য এলেকা হিচাপে পৰিগণিত কৰা হ'ব বুলি কমিটীয়ে প্ৰস্তাৱ কৰিছিল।

পাহাৰীয়া অঞ্চলবোৰক ভূপ্ৰকৃতি, পাৰিপাৰ্শ্বিক অৱস্থা, সামাজিক আৰু অৰ্থনৈতিক সমস্যাবোৰক প্ৰাধান্য দি তাৰ উন্নয়নৰ অৰ্থে বিতং পৰিকল্পনা কৰি কাৰ্যপন্থা হাতত লোৱা হৈছিল। পাহাৰীয়া অঞ্চলৰ থলুৱা সম্পদবোৰক কামত লগাবলৈ, উদ্যান কৃষি, ৰোপণ কৃষি; জীৱ জন্তু পালন, হাঁহ-কুকুৰাৰ পাম, বনানিকৰণ, ক্ষুদ্ৰ উদ্যোগ আৰু গ্ৰাম্য উদ্যোগবোৰৰ বিকাশৰ বাবে তৎপৰতা লৈছিল।

**খৰাংপ্ৰৱণ অঞ্চল উন্নয়নৰ আঁচনি (Drought Prone Area Programme) ঃ**

চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাৰ আৰম্ভণিতে খৰাংপ্ৰৱণ অঞ্চলৰ লোকসকলৰ বাবে নিযুক্তিৰ যোগান ধৰা আৰু উৎপাদনশীল সম্পত্তি সৃষ্টি কৰিবলৈ কৰ্মসূচী হাতত লোৱা হৈছিল। আৰম্ভণিতে এই কাৰ্যক্ৰমণিকাই শ্ৰমিকৰ গাঢ়তা থকা অসামৰিক কাৰ্য ৰূপায়ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু পিছলৈ জলসিঞ্চন প্ৰকল্প, ভূমি উন্নয়নৰ কাৰ্যসূচী, বৃক্ষৰোপণ, ঘাঁহনি উন্নত কৰা আৰু গ্ৰাম্য মৌলিক বুনিয়াদৰ সৃষ্টি কৰিবলৈ যেনে বৈদ্যুতিকীকৰণ, ৰাস্তা-ঘাট নিৰ্মাণ, বজাৰ, ঋণদান আৰু বৃত্তিবোৰৰ উন্নতিৰ হকে,গুৰুত্ব দিছিল।

ৰাষ্ট্ৰীয় বিকাশ কমিটীয়ে এই কৰ্মসূচীবিলাকৰ দ্বাৰা সম্পাদিত হোৱা কাৰ্যবোৰৰ পুনৰীক্ষণ কৰিছিল। এটা কথা লক্ষ্য কৰা হৈছিল যে পৰিস্থিতিক ভাৰসাম্যতা সুৰক্ষিত কৰাৰ ওপৰত মুখ্য গুৰুত্ব দি, এই কৰ্মসূচী প্ৰধানকৈ কৃষিকাৰ্য আৰু মিশ্ৰ খণ্ডবোৰক বিকাশ

www.dailyassam



কৰাৰ কামত আবদ্ধ হৈ আছিল। যিহেতুকে বৰ্ধিত জনসংখ্যাই সমাজখনক সীমাৱৰ্তী ভূমিবোৰতো, কৃষিকাৰ্য কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰি আছে আৰু সেইবাবে পৰিস্থিতিক স্খলন ক্ৰিয়াও আৰম্ভ হোৱা দেখা গৈছে আৰু সেয়ে খৰাংপ্ৰৱণতা থকা অঞ্চলবোৰত এক বিকল্প বৃত্তিৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এনে অঞ্চলৰ বিকাশৰ বাবে অৱলম্বন কৰিব পৰা অন্যান্য কূটনৈতিক কৌশলবোৰৰ ভিতৰত এটা হ'ল ক্ষুদ্ৰ স্তৰত জলবিভাজিকাক একত্ৰিতভাৱে বিকাশৰ দিশলৈ আগবঢ়োৱা কাৰ্য। খৰাং প্ৰৱণতা থকা অঞ্চলবোৰত বিকাশৰ কৌশল অৱলম্বন কৰোতে, মাটি, পানী, উদ্ভিদ, মানৱ আৰু জীৱজগতৰ মাজত, পাৰিস্থিতিক ভাৰসাম্যতা ৰক্ষা কৰাৰ, মৌলিক অভিপ্ৰায় থকা উচিত।

ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগে (১৯৬৭) দেশৰ ভিতৰত খৰাং প্ৰৱণতা থকা ৬৭খন খন জিলা, (গোটেই জিলা অথবা আংশিকভাৱে) চিনাক্তকৰণ কৰিছে। জলসিঞ্চন আয়োগে (১৯৭২), জলসিঞ্চন থকা ৩০ শতাংশ অঞ্চল, বিচাৰ্য বুলি পৰিচিতি দিয়ে আৰু খৰাংপ্ৰৱণ অঞ্চলবোৰৰ সীমা নিৰ্দিষ্ট কৰে। ভাৰতবৰ্ষৰ খৰাং প্ৰৱণতা থকা অঞ্চলবোৰ ৰাজস্থান, গুজৰাট, মধ্যপ্ৰদেশৰ পশ্চিমাঞ্চল, মহাৰাষ্ট্ৰৰ মাৰাথৱাড়া অঞ্চল, ৰায়েলসীমা, অন্ধ্ৰপ্ৰদেশৰ তেলেঙ্গানা মালভূমি, কৰ্ণাটকৰ মালভূমি উচ্চভূমি আৰু তামিলনাড়ুৰ অন্তৰ্বৰ্তী অঞ্চলৰ অৰ্ধ শুষ্ক আৰু শুষ্ক ক্ষেত্ৰবোৰলৈ বিস্তৃত হৈ আছে। পঞ্জাব, হাৰিয়ানা আৰু উত্তৰ ৰাজস্থানৰ খৰাং অঞ্চল, জলসিঞ্চনৰ বিস্তৃত প্ৰয়োগৰ দ্বাৰা সুৰক্ষিত হৈ আছে।

**ক্ষেত্ৰ অধ্যয়ন-ব্ৰহমৌৰ অঞ্চলৰ সংহত জনজাতীয় উন্নয়ন প্ৰকল্প (Case Study– Intergated Tribal Development Project in Bharmour Region) ঃ**

ব্ৰহমৌৰ (স্থানীয় নাম ভাৰম'ৰ) জনজাতীয় অঞ্চলে হিমাচল প্ৰদেশৰ চম্বা জিলাৰ ব্ৰহমৌৰ আৰু হলি টেহচিলক চামিল কৰিছে। ১৯৭৫ চনৰ ২১ নৱেম্বৰৰ পৰা ই এক ঘোষিত জনজাতীয় অঞ্চল হিচাপে স্বীকৃত হয়। ব্ৰহমৌৰত 'গাদ্দি' (Gaddi) নামে এটা জনগোষ্ঠী আছে। এই জনজাতীয় গোষ্ঠীয়ে হিমালয় অঞ্চলত ঋতু প্ৰবাসৰ অনুশীলন কৰে আৰু গাদিয়ালী ভাষাৰ জৰিয়তে বাৰ্তালাপ কৰি এক নিৰ্দিষ্ট পৰিচিতি প্ৰতিপালন কৰি আছে।

ব্ৰহমৌৰ জনজাতীয় অঞ্চলৰ জলবায়ুৰ অৱস্থা ৰুক্ষ, মৌলিক সম্পদত অভাৱগ্ৰস্ততা থকা আৰু ইয়াৰ পৰিবেশ অঞ্চলটোৰ উন্নয়নৰ অন্তৰায়। এই কাৰকবোৰে অঞ্চলটোৰ সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত প্ৰভাৱান্বিত কৰি আছে। ২০০১ চনত হোৱা লোকপিয়ল অনুসৰি ব্ৰহমৌৰ মহকুমাৰ সৰ্বমুঠ জনসংখ্যা আছিল ৩৭,২৪৬ জন অৰ্থাৎ প্ৰতি বৰ্গ কিলোমিটাৰত ২০ জন হিমাচল প্ৰদেশৰ ভিতৰত ই আটাইতকৈ বেছি পিছপৰা অঞ্চল (অৰ্থনৈতিক আৰু সামাজিক দিশত)। ঐতিহাসিকভাৱে গাদ্দিসকল মেষ পালন।

| |
|---|
| এই অঞ্চল, ৩২°১১' উত্তৰ ৩২°৪১' উত্তৰ অক্ষাংশ আৰু ৭৬°২২° পূব- ৭৬°৫৩' পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। ১,৫০০ মিটাৰৰ পৰা ৩,৭০০ মিটাৰ, গড় সমুদ্ৰ পৃষ্ঠৰ উচ্চতাত থকা এই অঞ্চলে প্ৰায় ১,৮২৮ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি, বিস্তৃত হৈ আছে। গাদ্দিসকলৰ গৃহভূমি বুলি সৰ্বজনবিদিত এই অঞ্চলটোৰ চাৰিওকাষে সুউচ্চ পৰ্বতেৰে আৱৰা। ইয়াৰ উত্তৰ দিশত, পীৰপাঞ্জল (Pir Panjal) আৰু দক্ষিণে ধওলাধৰ (Dhaula Dhar) অৱস্থিত। পূব দিশে, ধওলাধৰ, বিস্তৃত হৈ গৈ ৰহটাং গিৰিপথৰ কায চাপি, পীৰ প্ৰাঞ্জলৰ সৈতে মিলি গৈছে। ৰবি নদী আৰু তাৰ দুখন উপনৈ বুদহিল আৰু টুণ্ডাহেন, এই ভূখণ্ডৰে বৈ গৈছে আৰু গভীৰ খাটৰ সৃষ্টি কৰিছে। এই নদীকেইখনে গোটেই অঞ্চলটোক মুঠতে চাৰিটা ভূপ্ৰাকৃতিক ভাগত বিভক্ত কৰিছে। যেনে— হলি, খানি, কুংগ্‌টি আৰু টুণ্ডাহ্ অঞ্চল। শীতকালত ব্ৰহমৌৰত প্ৰচণ্ড শীত পৰে আৰু বৰফপাত সংঘটিত হয়। জানুৱাৰী মাহৰ গড় উত্তাপ ৪° ছেঃ আৰু জুলাই মাহৰ গড় উত্তাপ ২৬° ছেঃ হয়গৈ। |

ভৌগোলিক আৰু ৰাজনৈতিক ক্ষেত্ৰত নিঃসংগ আৰু আৰ্থ-সামাজিকভাৱে বঞ্চনাৰ অভিজ্ঞতা লাভ কৰি আছে। এই অঞ্চলৰ অৰ্থনীতি কৃষি আৰু আন মিশ্ৰ কাৰ্য যেনে ছাগলী আৰু ১৯৭০ দশকত গাদ্দিসকলক অনুসূচিত জনজাতিৰ স্বীকৃতি প্ৰদান কৰা হয়।

www.dailyassam



বেদিকা কৃষি   গম উৎপাদন কৰা লৌকিক পদ্ধতি   প্ৰাথমিক বৃত্তি ব্যস্ত হৈ থকা লোক

ব্ৰহমৌৰ অঞ্চলৰ লোক বসতি   পৰম্পৰাগত সাজপাৰ

*চিত্ৰ ৯.১ ঃ ব্ৰহমৌৰ জনজাতীয় অঞ্চল*

১৯৭৪ চনত পঞ্চমবাৰ্ষিক পৰিকল্পনাৰ অধীনত হাতত লোৱা একত্ৰ জনজাতি উন্নয়নৰ সৰ্বমুঠ ৫টা প্ৰকল্পৰ অন্যতম প্ৰকল্প ক্ষেত্ৰ হিচাপে হিমাচল প্ৰদেশৰ এই ব্ৰহমৌৰ এলেকাটো বাছনিত উঠে। গাদ্দীসকলৰ জীৱন-যাপনৰ মান উন্নত কৰাৰ লগতে ৰাজ্যখনৰ অন্যান্য অঞ্চলৰ উন্নয়নৰ সমসুৰী পৰ্যায়লৈ বৃদ্ধি কৰাই প্ৰকল্পটোৰ মুখ্য উদ্দেশ্য আছিল। এই উদ্দেশ্যে এই প্ৰকল্পৰ অধীনত অঞ্চলটোৰ কৃষি, যাতায়াত আৰু আন কিছুমান সেৱামূলক কাৰ্যক্ৰমৰ মান উন্নত কৰাৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছিল। অঞ্চলটোৰ শিক্ষা, স্বাস্থ্য, বাট-পথ, বিজুলীৰ যোগান, যোগাযোগ প্ৰভৃতি ভালেমান সেৱাৰ উন্নতি হৈছিল। কিন্তু ইয়াৰ মাজতেই দেখা গ'ল যে অঞ্চলটোৰ নদীপৰীয়া অৱস্থানসমূহত হোৱা উন্নয়নৰ তুলনাত ভিতৰুৱা ভালেমান ঠাইত এনেবোৰ উন্নয়ন কাৰ্যক্ৰমে স্পৰ্শ কৰিব পৰা নাই।

সংহত জনজাতীয় উন্নয়ন পৰিকল্পনাৰ পৰা ব্যুৎপত্তি হোৱা সামাজিক সুফলবোৰৰ ভিতৰত শিক্ষিতৰ হাৰ দ্ৰুতগতিত বৃদ্ধি পোৱা, লিংগ অনুপাতৰ উন্নতি ঘটা আৰু বাল্য বিবাহৰ প্ৰচলন বন্ধ হোৱাৰ প্ৰধান। অঞ্চলটোত স্ত্ৰীশিক্ষাৰ হাৰ, ১৯৭১ চনৰ ১.৮৮ শতাংশৰ পৰা ২০০১ চনত ৪২.৮৩ শতাংশলৈ বৃদ্ধি পায়। পুৰুষ আৰু স্ত্ৰীৰ মাজত থকা শিক্ষিতৰ স্তৰ অৰ্থাৎ শিক্ষাৰ ক্ষেত্ৰত থকা লিংগ প্ৰভেদবোৰো নাইকিয়া হ'ল। খাদ্য শস্যৰ উৎপাদন আৰু গৰু-ম'হ পালনত গুৰুত্ব দি পোষণ কৃষি আৰু জীৱ-জন্তু পালন কৰা বৃত্তিৰে খাদ্দিসকলে পৰম্পৰাগতভাৱে চলি আহিছিল। কিন্তু কুৰি শকিতাত যোৱা তিনিটা দশকৰ কালছোৱাত ব্ৰাহমোৰ অঞ্চলত মাহজাতীয় শস্য আৰু অন্যান্য নগদ শস্যৰ কৃষিকাৰ্য বৃদ্ধি পায়। যদিও খেতি কৰা পদ্ধতিবোৰ পৰম্পৰাগত হিচাপে আছে অৰ্থনৈতিকভাৱে অঞ্চলটোত জীৱজন্তু পোহপাল দিয়া কাৰ্যটো বহু পৰিমাণে গুৰুত্বহীন হৈ পৰা বুলি অনুমেয়, কিয়নো বৰ্তমান কেৱল দহভাগৰ এক অংশ লোকেহে ঋতুপ্ৰবাসৰ অনুশীলন কৰা দেখা যায়। কিন্তু গাদ্দিসকল, এতিয়াও বহু পৰিমাণে চলাফুৰা কৰা ধৰণৰ যিহেতু তেওঁলোকৰ মাজৰ যথেষ্ট লোকে কাংগ্ৰা আৰু ওচৰে-পাঁজৰে থকা অঞ্চলবোৰলৈ, শীতকালি জীৱন-ধাৰণ কৰা বাবদ দৈনিক হাজিৰা কৰা শ্ৰমিক হিচাপে প্ৰব্ৰজন কৰে।

**ধাৰণক্ষম উন্নয়ন (Sustainable Development) ঃ**


কোনো নিৰ্দিষ্ট সমাজ এখনৰ অৱস্থা আৰু সমাজখনে লাভ কৰা পৰিবৰ্তন প্ৰক্ৰিয়াৰ অভিজ্ঞতাক বুজাবলৈ উন্নয়ন শব্দক সাধাৰণ অৰ্থত প্ৰকাশ কৰা হয়। মানৱ ইতিহাসৰ সুদীৰ্ঘ সময়ছোৱাত মানৱ সমাজ আৰু তেওঁলোকৰ চাৰিওফালে থকা জৈৱিক আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজত থকা পাৰস্পৰিক আন্তঃপ্ৰক্ৰিয়াৰ দ্বাৰা সামাজিক অৱস্থা নিৰূপিত হয়। মানুহ আৰু পৰিৱেশৰ মাজত থকা পাৰস্পৰিক প্ৰক্ৰিয়াই দৰাচলতে সমাজৰ দ্বাৰা লালন-পালন হৈ থকা প্ৰযুক্তিৰ মান আৰু অনুষ্ঠানৰ ওপৰত নিৰ্ভৰশীল। এফালে, প্ৰযুক্তি আৰু অনুষ্ঠানসমূহে মানুহ আৰু পৰিৱেশৰ মাজত থকা আন্তঃপ্ৰক্ৰিয়াৰ গতিবেশ বৃদ্ধি হোৱাত সহায়তা কৰে আৰু তাৰ

www.dailyassam



বিনিময়ত প্ৰযুক্তি প্ৰগতি আৰু ৰূপান্তৰণ আৰু অনুষ্ঠানৰ সৃষ্টিৰ গতিবেগ বঢ়াই তোলে। সেয়েহে, উন্নয়নক এক বহুমুখী সংক্ৰান্তীয় ধাৰণা বুলিব পাৰি আৰু ই অৰ্থনীতি, সমাজ আৰু পৰিবেশৰ ধনাত্মক, অপৰিবৰ্তনীয় ৰূপান্তৰৰ তাৎপৰ্যতা প্ৰকাশ কৰে।

উন্নয়নৰ ধাৰণা বৰ সক্ৰিয় আৰু কুৰি শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা ইয়াৰ আৰম্ভণি হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ সময়ত অৰ্থনৈতিক বৃদ্ধি আৰু উন্নয়নৰ ধাৰণা সমাৰ্থক আছিল আৰু ইয়াৰ জোখ-মাখ সময় সাপেক্ষে থকা মুঠ জাতীয় উৎপাদন (GNP) আৰু জনমূৰি আয় (Per capital income) আৰু জনমূৰি উপভোগৰ পৰিপ্ৰেক্ষিতত লোৱা হৈছিল। কিন্তু অৰ্থনৈতিকভাৱে সমৃদ্ধিশালী দেশবোৰতো সম্পদৰ অসমান বিতৰণৰ হেতু দৰিদ্ৰতাৰ দ্ৰুত বৃদ্ধি ঘটাত এই পৰম্পৰাগত ধাৰণাটো ভুল বুলি প্ৰমাণিত হৈছিল। অসমান অৰ্থনৈতিক বৃদ্ধিৰ বিতৰণে এনে অৱস্থাৰ সৃষ্টি কৰিছিল। সেয়েহে ১৯৭০ৰ পৰা বৃদ্ধিৰ সৈতে পুনঃবিতৰণ' (redistribution with growth) আৰু 'বৃদ্ধি আৰু সমদৰ্শন' (growth and equity) আদি যোজনা উন্নয়নৰ সংজ্ঞাৰ লগত চামিল হৈ পৰিল। পুনঃবিতৰণ আৰু সমদৰ্শন আদিৰ সৈতে জড়িত থকা প্ৰশ্নবোৰৰ সমাধান কৰোতে বুজি পোৱা গৈছিল যে উন্নয়নৰ ধাৰণাক কেৱল অৰ্থনৈতিক পৰিধিতে সীমাবদ্ধ কৰি থ'ব নোৱাৰি। উন্নয়নৰ ধাৰণাত আনকি কিছুমান সংস্কৰণ অন্তৰ্ভুক্ত হৈ থাকিল, যেনে মানুহৰ থকা-মেলা আৰু জীৱনৰ মান উন্নত কৰা, শিক্ষা আৰু সুযোগৰ মানভাৱে ব্যৱহাৰ থকা, স্বাস্থ্যৰ সা-সুবিধা থকা আৰু ৰাজনৈতিক আৰু অসামৰিক অধিকাৰ সাব্যস্ত কৰা ইত্যাদি। ১৯৮০ চনৰ পৰা, সমাজত বিস্তৃতভাৱে সামাজিক আৰু আৰ্থিক স্বচ্ছলতাক উন্নত কৰি তুলি একগোট কৰাটোকে উন্নয়নৰ নতুন ধাৰণা হিচাপে উদ্ভৱ হয়।




*চিত্ৰ ৯.২ ঃ ইন্দিৰা গান্ধী খাল আধিপত্য অঞ্চল*

১৬৫০ চনৰ শেষৰ ভাগত পৃথিৱীৰ পশ্চিমীয়া দেশবোৰত পাৰিবেশিক সমস্যাবোৰৰ প্ৰতি সজাগতাৰ সামূহিক জাগৰণ হোৱাত, ধাৰণক্ষম উন্নয়নৰ (sustainable development) ধাৰণাটো আৰম্ভ হোৱা যেন লাগে। ইয়াৰ প্ৰতিফলনস্বৰূপে উদ্যোগৰ বিকাশৰ বাবে পৰিবেশৰ ওপৰত হোৱা অনাকাংক্ষিত প্ৰভাৱৰ প্ৰতি মানুহক জড়িত কৰিলে। ১৯৬৮ চনৰ প্ৰকাশ পোৱা এহৰালিচৰ (Ehrlich) গ্ৰন্থ 'The Population Bomb' and মিডৌজৰ (Meadows) দ্বাৰা ৰচিত 'The Limits to Growth' আৰু ১৯৭২ চনত প্ৰকাশ পোৱা আন গ্ৰন্থ কিছুমানে, জনমানসত আৰু বিশেষকৈ পৰিবেশ বিজ্ঞানীসকলৰ মনত আসন্ন দুৰ্যোগ আৰু সংশয়ৰ ভাবৰ সৃষ্টি কৰে। এনেদৰে এক বহল শিৰোনামা 'ধাৰণক্ষম উন্নয়ন' শব্দটোৰ আৱলত উন্নয়নৰ নতুন নক্সাযুক্ত চিত্ৰপটৰ আৱিৰ্ভাৱ ঘটে।

পৰিবেশিক সমস্যাৰাজিৰ ওপৰত পৃথিবীব্যাপি সৃষ্টি হোৱা মতৰ প্ৰতি সঁহাৰি জনাই, সংযুক্ত ৰাষ্ট্ৰই, নৰৱেৰ প্ৰধান মন্ত্ৰী গ্ৰো হাৰলেম, ব্ৰুণ্টলেণ্ডৰ (Gro Harlem Brundtland) অধিনায়কত্বত, বিশ্ব পৰিবেশ আৰু উন্নয়ন' শিৰোনামাৰে এখন আয়োগৰ (World Commission of Environment and Development/ WCED) গঠন কৰে। ১৯৮৭ চনত আয়োগে 'আমাৰ উমৈহতীয়া ভৱিষ্যৎ' (Our Common Future) শিৰোনামাৰে এখন প্ৰতিবেদন দাখিল কৰে। এই প্ৰতিবেদনখনক 'ব্ৰুণ্টলেণ্ডৰ প্ৰতিবেদন বুলিও জানিব পাৰি। প্ৰতিবেদনখনে ধাৰণক্ষম উন্নয়নৰ সংজ্ঞা এনেধৰণে দিয়ে— 'আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ প্ৰয়োজন পূৰণ কোনো প্ৰকাৰে বাধাগ্ৰস্ত নোহোৱা পৰিসৰত বৰ্তমানৰ অভাৱ পূৰণ সীমাবদ্ধ ৰখা পৰ্যায়ৰ উন্নয়নেই ধাৰণক্ষম উন্নয়ন? ('Development that meets te nuds of the present without compromising the ability of future generations to meet their own needs.')




চিত্ৰ ৯.৩ ঃ ইন্দিৰা গান্ধী খাল

ধাৰণক্ষম উন্নয়নে পাৰিপাৰ্শ্বিক, সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাবোৰৰ বিকাশৰ সপক্ষে বৰ্তমানৰ প্ৰতি যত্ন লয় আৰু এই সম্পদবোৰক, ভৱিষ্যতৰ প্ৰজন্মই ব্যৱহাৰ কৰিব পৰাকৈ সংৰক্ষণ কৰাটোক সমৰ্থন কৰে। অৰ্থাৎ মানৱ প্ৰজন্মৰ উমৈহতীয়া ভৱিষ্যতৰ উন্নয়ন সম্পৰ্কে যথোচিত কৰ্মপন্থা অবিৰতবাৰে গ্ৰহণ কৰি যোৱা হয়।

## ক্ষেত্ৰ অধ্যয়ন (Case Study) ঃ

**ইন্দিৰা গান্ধী খালৰ (নহৰ) অধিপত্য থকা অঞ্চল ঃ ধাৰণক্ষম উন্নয়ন বৰ্ধিত কৰোতে লোৱা ব্যৱস্থাসমূহ ঃ (Indira Gandhi Canal Nahar) Command Area : Measures for promotion of Sustainable Development) ঃ**

পূৰ্বে 'ৰাজস্থান খাল' নামে জনাজাত আৰু বৰ্তমান ইন্দিৰা গান্ধী খালটো ভাৰতৰ আটাইবোৰ ডাঙৰ খাল ব্যৱস্থাবোৰৰ ভিতৰত অন্যতম। ১৯৪৮ চনত কুঁৱৰ সাঁই নামৰ স্থপতিবিদৰ ধাৰণাপুষ্ট এই খাল প্ৰকল্পৰ যাৱতীয় কাৰ্য ১৯৫৮ চনৰ ৩১ মাৰ্চৰ পৰা আৰম্ভ হয়। শতদ্ৰু আৰু বিপাশাৰ সংগম স্থলৰ নামনি অঞ্চলৰ পঞ্জাবৰ হাৰিকা (Harika) বান্ধৰ পৰা খনন কৰা এই খালটো, পাকিস্তান সীমাৰ সমান্তৰালভাৱে ৰাজস্থানৰ থৰ মৰুভূমি (মৰুস্থলী)লৈ পানী বোৱাই নিয়া খালটো ভাৰত-পাকিস্তান সীমান্তৰ পৰা গড়ে মুঠ ৪০ কিলোমিটাৰ দূৰত্বত আছে। নহৰতন্ত্ৰ মুঠ পৰিকল্পিত দৈৰ্ঘ্য ৯০৬০ কিলোমিটাৰ আৰু সৰ্বমুঠ ১৯.৫০ লাখ হেক্টৰ কৃষি উপযোগী অঞ্চলৰ জলসিঞ্চনৰ বাবে থকা প্ৰয়োজনীয়তা পূৰাবলৈ সক্ষম হৈছে। মুঠ কৃষি উপযোগিতা থকা অঞ্চলৰ ৭০ শতাংশ স্বাভাৱিক ঢোলৰ সহায়ক পানী বোৱাই নি জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী অংশত উত্তোলন পদ্ধতিৰে পানীৰ যোগান ধৰাৰ কল্পনা কৰা হৈছে। প্ৰথম স্তৰৰ অধীনত থকা অঞ্চলবোৰ হ'ল গংগানগৰ, হনুমানগড় আৰু বিকানীৰ জিলাৰ উত্তৰ অঞ্চল। ইয়াৰ ভূ অৱয়ব সামান্য ওখ-চাপৰ আৰু মৃদুঢালযুক্ত আৰু কৃষিৰ উপযোগিতা থকা অঞ্চলে ৫.৫ লাখ হেক্টৰ মাটি আগুৰি আছে। দ্বিতীয় স্তৰৰ অধীনত থকা বিকানীৰ জয়ছালমিৰ, বাৰ্মাৰ, যোধপুৰ, নাগপুৰ আৰু চুৰু জিলাত প্ৰায় ১৪.১৫ লাখ হেক্টৰ কৃষিৰ উপযোগী মাটি আছে। এই অঞ্চলবোৰত স্থানান্তৰিত বালিয়াৰিৰে সৈতে থকা মৰুভূমি চামিল হৈ আছে আৰু গ্ৰীষ্মকালত ইয়াত তাপমাত্ৰ ৫০° ছেণ্টিগ্ৰেডলৈ বৃদ্ধি পায়। পাম্পৰ সহায়েৰে উত্তোলন পদ্ধতিৰে কৰা জলসিঞ্চনত, ভূভাগৰ ঢালে ঢালে পানী ব'বলৈ দিয়া হয়। মুখ্য খালৰ বাওঁকাষেৰে উত্তোলন খালবোৰ আৰু সোঁকাষে বৈ থকা খালবোৰ থাকে।



চিত্ৰ ৯.৪ ঃ ইন্দিৰা গান্ধী খাল আৰু দাঁতিকাষৰীয়া অঞ্চল

১৯৫০ চনৰ প্ৰথম ভাগত ১ম স্তৰৰ জলসিঞ্চন কাৰ্যৰ শুভাৰম্ভ হৈ উঠে আৰু ১৯৮০ চনৰ মাজভাগৰ পৰা ২য় স্তৰৰ কাম, কৃষি উপযোগী অঞ্চল সাপেক্ষে জলসিঞ্চনৰ আওতালৈ আনে। বৃহৎ খালৰ জৰিয়তে কৰা জলসিঞ্চন কাৰ্যই শুকান ভূখণ্ডটোৰ পাৰিস্থিতিক, অৰ্থনৈতিক আৰু সামাজিক ৰূপান্তৰণ হোৱাত সহায় কৰি আছে। গোটেই

www.dailyassam



অঞ্চলটোৰ, পাৰিবেশিক বাতাবৰণত, খালবোৰে ধনাত্মক অথবা ঋণাত্মক দুয়োটাৰে প্ৰভাৱ পেলাইছে। মাটিবোৰ বহু দিনধৰি সেমেকা হ'বলৈ ধৰে আৰু বনানিকৰণ, ঘাঁহনি উপজোৱা (grass-growing) আদি বিভিন্নধৰণৰ কাৰ্যপন্থাৰ বিকাশ ঘটিল অৰ্থাৎ আধিপত্য অঞ্চলৰ উন্নয়নৰ (CAD) নামত ভূভাগ যথেষ্ট সেউজ হৈ পৰিল। ইয়াৰ বাবে বতাহৰ খনন কাৰ্যবোৰ ক্ৰমে হ্ৰাস পাবলৈ ধৰে আৰু খাল পদ্ধতিত বালি জমা হোৱা কাৰ্যটো লাহে লাহে কমি গ'ল। কিন্তু জলসিঞ্চন সঘনাই প্ৰচলিত হৈ থকাৰ বাবে আৰু অতিমাত্ৰা পানীৰ ব্যৱহাৰিতাই দুটা পাৰিবেশিক সমস্যাৰ উদ্ভৱ কৰিছে, যেনে পানী আবদ্ধ হৈ থকা আৰু মাটিৰ লৱণতা বৃদ্ধি পোৱা।

খাল প্ৰণালীৰে কৰা জলসিঞ্চনৰ প্ৰভাৱে অঞ্চলটোৰ কৃষিভিত্তিক অৰ্থনীতিত পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। অঞ্চলটোত মাটি সেমেকা কৰি নিয়ন্ত্ৰিত কৰা বাবে শস্য উৎপাদন কৰাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। খাল-প্ৰণালীৰে কৰা জলসিঞ্চনৰ বাবে খেতি কৰা মাটিৰ পৰিমাণ আৰু শস্যৰ গাঢ়তা বৃদ্ধি পাইছে। পৰম্পৰাগত প্ৰথাৰে উৎপাদন কাৰ্য সম্পাদন কৰা কিছুমান শস্য যেনে— বুটমাহ, মগুমাহ, বজৰা আৰু জোৱাৰৰ সলনি, এতিয়া গম, কঁপাহ, বাদাম আৰু ধানজাতীয় শস্যই প্ৰধান্য পাইছে। এইবোৰ প্ৰয়োজনীয় জলসিঞ্চনৰ ফলত সম্ভৱপৰ হৈ উঠিছে। জলসিঞ্চনৰ সুবিধা প্ৰচলন হোৱাৰ পাচত, কৃষি আৰু গৰু-ম'হ ভেৰা আদি পালনৰ পৰা হোৱা উৎপাদন সন্তোষজনক হাৰত বৃদ্ধি পাইছে। কিন্তু একেই জলসিঞ্চনৰ প্ৰভাৱত জৰাহ আৰু মৃত্তিকাৰ লৱনীকৰণ বাঢ়ি গৈ আছে আৰু এনেদৰে অদূৰ ভৱিষ্যতলৈ কৃষি বিপ্লৱৰ ধাৰণক্ষমতাক ক্ষতি কৰাৰ আশংকা প্ৰকাশ কৰিছে।

**ধাৰণক্ষম উন্নয়ন, অগ্ৰগতিৰ কাৰ্যপন্থা (Measures for promotion of Sustainable Development) ঃ**

ইন্দিৰা গান্ধী খাল প্ৰকল্পৰ পাৰিপাৰ্শ্বিক ধাৰণক্ষমতাক লৈ ভালেমান পণ্ডিতৰ মনত প্ৰশ্নৰ উদ্ৰেক হৈছে। যোৱা চাৰিটা দশকত অঞ্চলটোৰ বিকাশৰ স্তৰৰ দ্বাৰা প্ৰাকৃতিক পৰিবেশ, অৱনমিত হোৱা বুলি থকা তেওঁলোকৰ ধ্যান-ধাৰণাক সংগত বুলি নিৰূপণ কৰা হৈছে। নহৰ প্ৰকল্পই সামৰি লোৱা অঞ্চলটোৰ দীৰ্ঘস্থায়ী উন্নয়নৰ অৰ্থে প্ৰাকৃতিক ভাৰসাম্য অটুট ৰখাৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিয়া এলানি কাৰ্যসূচী অতীৱ প্ৰয়োজনীয় হৈ পৰিছে। সেইবাবে পাৰিস্থিতিক ভাৰসাম্য ৰক্ষা কৰাৰ স্বাৰ্থত আধিপত্য অঞ্চলটোৰ ধাৰণক্ষম উন্নয়নৰ অৰ্থে আধিপত্য অঞ্চলটোৰ উন্নয়নৰ পৰিক্ৰমা সুদুৰপ্ৰসাৰী আৰু দীৰ্ঘস্থায়ী কৰাৰ উদ্দেশ্যে ভিন্নসুৰী ৭টা ব্যৱস্থা গ্ৰহণ কৰা জৰুৰী হৈ পৰিছে। খৰতকীয়াভাৱে হাতত ল'বলগীয়া এই ৭টা কাৰ্যপন্থাৰ আকৌ ৫টা ব্যৱস্থাই হৈছে পৰিস্থিতিতন্ত্ৰৰ লগত পোনপটীয়াভাৱে জড়িত। উন্নয়ন প্ৰক্ৰিয়াক ধাৰণক্ষম পৰিসৰলৈ উত্তীৰ্ণ কৰিব পৰা এই কাৰ্যব্যৱস্থাসমূহ হৈছে—

(i) প্ৰথম আৱশ্যকতা ঃ জল ব্যৱস্থাপনা নীতি ৰূপায়ণ কৰাত গুৰুত্ব দিয়া। ১ম স্তৰত খাল, প্ৰকল্পই সুৰক্ষিত জলসিঞ্চন পদ্ধতি অৱলম্বন কৰে আৰু ২য় স্তৰৰ শস্য আৰু চৰণীয়া পথাৰ আদিক বিকাশ কৰিবলৈ বিস্তৃতভাৱে জলসিঞ্চন প্ৰয়োগ।

(ii) সাধাৰণতে শস্য পদ্ধতিৰ নিৰ্বাচন কৰোঁতে বেছি প্ৰাণীৰ প্ৰয়োজন থকা শস্যক সামৰি লোৱা উচিত নহয়। জনসাধাৰণক ইয়াৰ পৰিণতি বুজাই দিয়াৰ লগতে ৰোপণ শস্য যেনে টেঙা ফলৰ (Cilras fruits) খেতি কৰাত উৎসাহ দিয়া প্ৰয়োজন।

(iii) পানী বৈ থাকি যাতে বাষ্পীভৱন আৰু নিসৰণ হৈ শেষ নহয় তাৰ বাবে ৰেখা নিৰূপণ কৰা, কৃষিভূমিক বিকাশ আৰু পৃষ্ঠভাস উপযুক্ত আৰ্হিত সংস্কাৰ কৰা আৰু ৱাৰাবন্দি পদ্ধতিক (আধিপত্য অঞ্চলৰ পানী বোৱাই পঠোৱা ঠাইবোৰত যাতে সমানভাৱে পানীৰ বিতৰণ হৈ উঠে) ফলপ্ৰসূতাৰে ৰূপায়ণ কৰা উচিত।

(iv) পানী আবদ্ধ হৈ থকা আৰু মাটিৰ লৱণতা আক্ৰান্ত অঞ্চলবোৰ উপযুক্ত পুনৰুদ্ধাৰ প্ৰযুক্তিৰ উদ্ভাৱন তথা প্ৰয়োগত অগ্ৰাধিকাৰ দিয়া উচিত।

(v) বনানিকৰণ, বতাহ প্ৰতিৰোধী আলম্বক বনস্পতি (wind breaking shelter belt protection) অঞ্চলৰ উন্নতি সুনিশ্চিত নোহোৱাপৰ্যন্ত দ্বিতীয় পৰ্যায়ৰ পৰিসৰত জলসিঞ্চন সম্প্ৰসাৰণ ঘটা মৰুস্থলী এলেকাটোৰ পাৰিস্থিতিক সমস্যা কেৱল গহন জলসিঞ্চন কাৰ্যৰে দীৰ্ঘস্থায়ী সমাধান আনিব পৰা নাযায়।

(vi) অঞ্চলটো সামাজিক অৰ্থত ধাৰণক্ষম হ'ব পাৰে যদিহে নিজা মাটি থকা অথচ অৰ্থনৈতিকভাৱে নিঃকিন দৰিদ্ৰ কৃষকসকলক খেতি-বাতি কৰিবলৈ প্ৰচুৰ বিত্ত আৰু আনুষ্ঠানিক সাহায্য প্ৰদান কৰিব পাৰে।

(vii) কেৱল কৃষিকাৰ্য আৰু পশুপালন খণ্ডৰ উন্নতিয়েই অঞ্চলটোক অৰ্থনৈতিকভাৱে ধাৰণক্ষম কৰি তুলিব নোৱাৰি। বৰঞ্চ, কেতবোৰ অৰ্থনৈতিক খণ্ডভুক্ত (দ্বিতীয়ক, তৃতীয়ক বৃত্তি) কাম-কাজৰ সৈতে কৃষি আৰু মিশ্ৰকাৰ্যবোৰ সাঙুৰি লৈ বিকশিত কৰাৰ প্ৰয়োজন থাকে। ইয়াৰ দ্বাৰা, বহুমুখী অৰ্থনীতিৰ ভেটি সুদৃঢ় হৈ উঠাৰ লগতে মূল গাঁও, কৃষি কেন্দ্ৰ আৰু বজাৰ কেন্দ্ৰবোৰৰ মাজত থকা কাৰ্যকৰী যোগাযোগ কৰা প্ৰতিষ্ঠানবোৰো গঢ়ি উঠিব। এনে কৰ্ম পৰিসৰৰ সম্প্ৰসাৰণ কৰিব পাৰিলে এফালে সুপ্ৰতিষ্ঠিত অৰ্থব্যৱস্থা আৰু আনফালে পৰিস্থিতিক ব্যয় সাপেক্ষে জলসম্পদৰ চাহিদা কিছু হ'লেও কমিব।

## অনুশীলনী

**১। নিম্নলিখিত বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বিচাৰি লোৱা।**

(i) আঞ্চলিক পৰিকল্পনা জড়িত হৈ থাকে ঃ

(a) বিভিন্ন খাদ্যৰ অৰ্থনৈতিক বিকাশৰ সৈতে,

(b) অঞ্চলবিশেষে থকা উন্নয়নৰ ব্যৱস্থাৰ লগত,

(c) পৰিবহণ প্ৰসাৰণত থকা আঞ্চলিক প্ৰভেদৰ সৈতে

www.dailyassam

(d) গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ সৈতে

(ii) ITDP য়ে নিম্নলিখিত কোনটোৰ কথা উল্লেখ কৰে?

(a) পূৰ্ণাংগ পৰ্যটন উন্নয়ন কাৰ্যসূচী

(b) পূৰ্ণাংগ ভ্ৰমণ উন্নয়ন কাৰ্যসূচী

(c) পূৰ্ণাংগ জনজাতীয় উন্নয়ন কাৰ্যসূচী

(d) পূৰ্ণাংগ পৰিবহণ উন্নয়ন কাৰ্যসূচী

(iii) নিম্নলিখিত কাৰকৰ ভিতৰত কোনটো কাৰক, ইন্দিৰা গান্ধী খালৰ আধিপত্য অঞ্চলৰ, ধাৰণক্ষম উন্নয়নৰ বাবে অতি প্ৰয়োজনীয়?

(a) কৃষিকাৰ্যৰ বিকাশ

(b) পৰিবেশ বিকাশ

(c) যাতায়াতৰ উন্নয়ন

(d) স্থলভাগৰ উপনিবেশিকতা থকা

**২। ৩০টামান শব্দেৰে নিম্নলিখিত প্ৰশ্নবোৰৰ উত্তৰ লিখা।**

(i) ভাৰম'ৰ অঞ্চলত LTDPৰ দ্বাৰা হোৱা সামাজিক উপকাৰবোৰ কি কি?

(ii) ধাৰণক্ষম উন্নয়নৰ ধাৰণাটো বৰ্ণনা কৰা?

(iii) ইন্দিৰা গান্ধী খালৰ অধীনস্থ অঞ্চলত, জলসিঞ্চনৰ ধনাত্মক প্ৰভাৱবোৰ কি কি?

**৩। ১৫০টামান শব্দেৰে নিম্নলিখিত প্ৰশ্নকেইটাৰ উত্তৰ লিখা।**

(i) খৰাংপ্ৰৱণ অঞ্চলৰ কৰ্মসূচীৰ ওপৰত এটি চমুটোকা লিখা। ভাৰতবৰ্ষৰ শুষ্কভূমিৰ কৃষিকাৰ্যৰ বিকাশত, এই কৰ্মসূচীবোৰে কেনেদৰে সহায় আগবঢ়াইছে?

(ii) ইন্দিৰা গান্ধী খালৰ অধীনস্থ অঞ্চলৰ ধাৰণক্ষম উন্নয়নক উন্নত কৰা প্ৰচেষ্টাবোৰৰ বিষয়ে লিখা।

**প্ৰকল্প (Project)**

(ii) তোমালোকে বসবাস কৰা অঞ্চলটোত ৰূপায়ণ হোৱা আঞ্চলিক বিকাশৰ কাৰ্যসূচী বিচাৰি উলিওৱা। এনে কাৰ্যসূচীৰ পৰা সমাজ আৰু অৰ্থনীতিত, কেনে প্ৰভাৱ পৰিছে, বিচাৰি চোৱা।

(ii) তোমালোকে নিজৰ একোটা অঞ্চল নিৰ্বাচন বা চিনাক্ত কৰি লোৱা, য'ত বেছিকৈ পৰিবেশিক আৰু আৰ্থ-সামাজিক সমস্যাই জৰ্জৰিত কৰি আছে। ইয়াৰ কাৰণবোৰৰ বিষয়ে লিখা। ইন্দিৰা গান্ধী খালৰ অধীনস্থ অঞ্চলত কৰাৰ লেখীয়াকৈ এইবোৰ অঞ্চলতো কেনেদৰে ধাৰণক্ষম উন্নয়ন ব্যৱস্থা গ্ৰহণ কৰিব পাৰি মন্তব্য প্ৰকাশ কৰা।

❑❑❑